# REGIONAL NEWS UNIT
## AKASHVANI GUWAHATI
0000000000

**Date : 26-09-2025**
**Time : 21-25 Hrs**

### ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::**

বিটিচি নিৰ্বাচনত বি পি এফ দল সংখ্যাগৰিষ্ঠতাৰ দিশে অগ্ৰসৰ হৈছে। শেহতীয়া ভোটগণনাৰ তথ্য অনুসৰি এতিয়ালৈকে ২১ টা সমষ্টিত বি পি এফৰ প্ৰাৰ্থীয়ে অগ্ৰগতি লাভ কৰিছে। ইউ পি পি এলে ১১ খন, বিজেপিয়ে ৮ খন আসনত অগ্ৰগতি লাভ কৰিছে। কোকৰাঝাৰ আৰু ওদালগুৰি জিলাত বি পি এফৰ প্ৰাৰ্থীসকলে ভাল ফল প্ৰদৰ্শন কৰাৰ বিপৰীতে তামুলপুৰ জিলাত বিজেপিয়ে তুলনামূলকভাৱে ভাল ফল দেখুৱাবলৈ সমৰ্থ হৈছে। চিৰাং জিলাত বি পি এফ, ইউ পি পি এল আৰু বিজেপিৰ প্ৰাৰ্থীৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা চলি আছে। বাক্সা জিলাতো বিজেপি, বি পি এফ আৰু ইউ পি পি এলৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিত হৈছে।

ভোটগণনাৰ শেহতীয়া তথ্যৰ সৈতে চিৰাং জিলাৰ সদৰ কাজলগাওঁৰ পৰা এয়া আমাৰ সংবাদদাতা **কুঞ্জ মোহন ৰায় ঃ**

**বাইট**

ওদালগুৰি জিলাৰ ১০ টা পৰিষদীয় সমষ্টিৰ ভিতৰত, হৰিশিঙা আৰু ধনশিৰি সমষ্টিত বিপিএফৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে যদিও জিলা প্ৰশাসনে আনুষ্ঠানিকভাৱে ঘোষণা কৰা নাই। বেলট কাকতৰে ভোটগ্ৰহণ হোৱা বাবে অতি লেহেমীয়া গতিৰে ভোটগণনা চলি আছে। জিলাখনৰ বাকী থকা ৮ টা সমষ্টিৰ ৫ টাত বি পি এফ, ২টাত বিজেপি আৰু এটাত ইউ পি পি এল দলে আগবাঢ়ি থকাৰ কথা আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

তামুলপুৰ জিলাৰ ৫ টা পৰিষদীয় সমষ্টিত চতুৰ্থ পৰ্যায়ৰ ভোটগণনাৰ অন্তত দৰঙাজুলি সমষ্টিত বিজেপি জয়ী হৈছে। নাগ্ৰিজুলি সমষ্টিত বিজেপিৰ জয় নিশ্চিত হৈছে। গয়াবাৰী পৰিষদীয় সমষ্টিত ইউ পি পি এল দলৰ প্ৰাৰ্থী প্ৰমোদ বড়োৰ জয় নিশ্চিত হৈছে। গোৰেশ্বৰ পৰিষদীয় সমষ্টিত বি পি এফ, শুক্লাই ছেৰফাং সমষ্টিত বিপিএফ আগবাঢ়ি থকাৰ কথা আমাৰ সংবাদদাতাই জানিবলৈ দিছে। বাক্সা জিলাত বাগানপাৰা পৰিষদীয় সমষ্টিত ইউ পি পি এল আৰু শালবাৰী পৰিষদীয় সমষ্টিত বি পি এফৰ প্ৰাৰ্থী আগবাঢ়ি আছে।

০০০০০০

সমগ্ৰ ৰাজ্যতে আজি সন্ধিয়া সদৌ অসম ছাত্ৰ সন্থাই অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি আৰু ক্ষীপ্ৰ তদন্তৰ জৰিয়তে দোষীক শাস্তি বিহাৰ দাবীত মমবাতি জ্বলাই সমদল উলিয়ায়। গুৱাহাটীতো আজি উজান বজাৰৰ শ্বহিদ ন্যাসৰ পৰা আছুৰে মমবাতি জ্বলাই সমদল উলিয়াই প্ৰতিবাদ সাব্যস্ত

কৰে। ধেমাজিতো জিলা ছাত্ৰ সন্থাই আজি শিল্পীগৰাকীৰ মৃত্যুৰ ন্যায় বিচাৰি মমবাতি জ্বলাই অপৰাধীসকলৰ কঠোৰ শাস্তি দাবী কৰে। হোজাই জিলাতো হোজাই ছহিদ বেদীৰ পৰা চহৰৰ মাজেৰে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত মমবাতি জ্বলাই সদৌ অসম ছাত্ৰ সন্থাই সমদল উলিয়ায়। ০০০

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্তসকলৰ সপক্ষে ঠিয় নিদিবলৈ সদৌ অসম উকীল সন্থাই ৰাজ্যৰ সকলো অধিবক্তাকে আহ্বান জনাইছে। এটা প্ৰেছ বিবৃতিৰ জৰিয়তে সদৌ অসম উকীল সন্থাৰ সভাপতি শৈলেন্দ্ৰ দাস, সাধাৰণ সম্পাদক দীপক কুমাৰ দাস, কাৰ্যকৰী সভাপতি মানস শৰণীয়া আৰু উপ-সভাপতি বিজন কুমাৰ মহাজনে এই আহ্বান জনাইছে। প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে যে, ৰাজ্যৰ বিভিন্ন পান্তত জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুত জৰিতৰ সন্দেহত বহু কেইজনৰ বিৰুদ্ধে এজাহাৰ দাখিল হৈছে। ৰাজ্য চৰকাৰে গোচৰৰ তদন্তৰ বাবে তৎপৰতাৰ বিশেষ তদন্তকাৰী গোট এছ আই টি গঠন কৰিছে। অভিযুক্ত ব্যক্তিসকলে অগ্ৰিম জামিন বা জামিন বিচাৰি অধিক্তাসকলৰ ওচৰলৈ আইনী সাহায্যৰ বাবে আহিব পাৰে। এই প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে অধিবক্তা সমাজে, মহান শিল্পীগৰাকীৰ অস্বাভাৱিক মৃত্যুৰ সৈতে জড়িতসকলৰ সপক্ষে নৈতিক আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি সু-চিন্তিত ভাৱে সমাজৰ পক্ষত ঠিয় দিবলৈ অধিবক্তাসকলক আহ্বান জনোৱা হৈছে।

০০০০০০

গুৱাহাটীৰ খাৰঘুলিৰ নিৱাসী নিৰন্ধকাৰ কামাখ্যা ভট্টাচাৰ্যৰ আজি বিয়লি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৮৩ বছৰ। মৃত্যুৰ সময়ত সহধৰ্মিনী আৰু পুত্ৰ বোৱাৰীসহ নাতি নাতিনী ইহসংসাৰত এৰি থৈ যায়। কামাখ্যা ভট্টাচাৰ্য জ্ঞানপীঠ বঁটাৰে সন্মানিত বিশিষ্ট সাংবাদিক ঔপন্যাসিক ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু বিশিষ্ট কাব্যঋষি নলিনীধৰ ভট্টাচ্ৰাযৰ কণিষ্ঠ ভাতৃ আছিল। তেখেতৰ মৃ্যত অঞ্চলটোত শোকৰ ছা পৰিছে।

০০০০০০

সমাপ্ত